# শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনত ধৰাশায়ী কংগ্ৰেছ

## ■ বিজেপি ৩২, নিৰ্দলীয় ৬, অগপ ২, কং ২

**'আমাৰ অসম'ৰ শিলচৰৰ প্ৰতিনিধি, ৬ অক্টোবৰ ঃ** শিলচৰ পৌৰ নিগমৰ ব'ৰ্ড গঠনৰ পথত অগ্ৰসৰ হৈছে বিজেপি মিত্ৰজোঁটে। শিলচৰ পৌৰ নিগমৰ ৪২টা ৱাৰ্ডৰ ভিতৰত বিজেপি ৩২টা, অগপ ২, কংগ্ৰেছ ২টা আৰু নিৰ্দলীয় প্ৰাৰ্থী ৬টা ৱাৰ্ডত জয়ী হৈছে। বিজেপি -অগপ মিত্ৰ জোঁটে ৩৪টা ৱাৰ্ডত জয় লাভ কৰিছে। শিলচৰ পৌৰ নিগম নিৰ্বাচনত বিজেপিৰ জয়জয়কাৰ যদিও ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছ প্ৰায় ধৰাশায়ী হৈছে। আজি পুৱা আঠ মান বজাৰ পৰা শিলচৰ চহৰৰ সমীপত ৰামনগৰৰ আই এছ টিটিত ভোট গণনা আৰম্ভ হয়। বিয়লি যিমানেই বাঢ়িছে ভোট গণনাত বিজেপি প্ৰাৰ্থীৰ জয়ৰ লক্ষ্য বাঢ়ি গৈ আছিল। বিয়লি ৪ বজাৰ ভিতৰত ৪০টা ৱাৰ্ডৰ ভোট গণনাৰ ছবি পোহৰলৈ আহে। শাসক দল বিজেপি প্ৰাৰ্থীয়ে কিছু ৱাৰ্ডৰ বাহিৰে বিশাল ব্যৱধানত জয়ী হ'বলৈ সক্ষম হয়। ৪২টা ৱাৰ্ডৰ ভিতৰত ইয়াৰ আগতে ৯ আৰু ২০নং ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি প্ৰাৰ্থী বিজয়ী হৈছিল। বিজেপিৰ বিজয়ী প্ৰাৰ্থী হ'ল যথাক্ৰমে ৱাৰ্ড ২ নং সৌৰভ কুমাৰ নাথ, ৩ নং ডলি দাস, ৪ নং শিৱাণী ৰানী দাস, ৫ নং দীপক দাস, ৬নং কাঞ্চন দেৱ, ৭ নং ৰাধা ৰানী ৰবিদাস, ৮নং মহিতোষ মণ্ডল, ৯ নং বিজেন্দ্ৰ প্ৰসাদ সিং (বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী) ১০নং সন্ধ্যা দাস, ১১ নং অভিষেক চক্ৰৱৰ্তী, ১২ নং ৰানু দাস, ১৩ নং প্ৰদ্যুত কুমাৰ পাল, ১৪ নং প্ৰতিক্ষা দেৱ, ১৫ নং পাপলি কৰ্মকাৰ, ১৭ নং আতাউৰ ৰহমান লস্কৰ, ১৮ নং জয় দাস, ২০ নং ভক্তি সেন তালুকদাৰ(বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী) ২১ নং সুমনা দাস, ২২ নং পাৰমিতা চন্দ গুপ্ত, ২৩ নং চন্দ্ৰিমা দেৱ, ২৭ পুলক দাস, ২৮ নং অনুশ্ৰী দেৱ ভট্টাচাৰ্য, ৩১ নং কুলদীপ নিহাল চৌধুৰী, ৩২ নং মৃণালিনী সিনহা, ৩৩ নং ৰাজশ্ৰী ৰায়, ৩৪ নং চৈতালী সাধ্য দেৱ, ৩৫ নং চন্দ্ৰাণী দাস ৰয়, ৩৬ নং সুস্মিতা পুৰকায়স্থ, ৩৭ নং অমৰেন্দ্ৰ পাল, ৩৮ নং শংকৰ বোস, ৩৯ নং উত্তম গোৱালা আৰু ৪০নং ৱাৰ্ডত প্ৰান্তদীপ ৰয়। ইফালে মিত্ৰ দল অগপৰ বিজয়ী প্ৰাৰ্থী হ'ল ১৬ নং ৱাৰ্ডত মিয়া খান আৰু ২৬ নং ৱাৰ্ডত ছাবিনা ইয়াছমিন বৰভূঞা। লগতে নিৰ্দলীয় বিজয়ী প্ৰাৰ্থী হ'ল ৪২ নং ৱাৰ্ডত বিশ্বতোষ নাগ, ২৪ নং হানিফা খানম লস্কৰ, ২৫ নং লাভলী বেগম মজুমদাৰ, ১৯ নং ধ্ৰুবজ্যোতি দাস, ১ নং হাছিম উদ্দিন লস্কৰ আৰু ২৯ নং ৱাৰ্ডত চম্পা দেৱৰয়। ইফালে প্ৰধান বিৰোধী দল কংগ্ৰেছৰ প্ৰাৰ্থী সাক্ষী বণিক ৩০ নং ৱাৰ্ডত আৰু ৪১ নং ৱাৰ্ডত ৰাজশ্ৰী গোৱালা জয়ী হৈছে। তেওঁ ৪৯টা ভোটৰ ব্যৱধানত জয়ী হয়। তদুপৰি কংগ্ৰেছ প্ৰাৰ্থী সাক্ষী বণিকে ৩০ নং ৱাৰ্ডত মাত্ৰ ১৩৫টা ভোটৰ ব্যৱধানত বিজেপি প্ৰাৰ্থীক পৰাজিত কৰি কংগ্ৰেছৰ মুখ ৰক্ষা কৰিছে। উল্লেখযোগ্য যে, শিলচৰ পৌৰ নিগম নিৰ্বাচনত ১৭ নং ৱাৰ্ডৰ পৰা বিজেপি প্ৰাৰ্থী তথা জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি আতাউৰ ৰহমান লস্কৰে সংখ্যালঘু প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হয়। ইফালে বিজেপিৰ মিত্ৰ দল অগপই শিলচৰ পৌৰ নিগম নিৰ্বাচনত খাতা খুলিবলৈ সক্ষম হৈছে। ২৬ নং ৱাৰ্ডত ছাবিনা ইয়াছমিন বৰভূঞা আৰু ১৬ নং ৱাৰ্ডত মিয়া খান জয়লাভ কৰিছে।

## বজালীত চিপ লৈ ছাত্ৰীৰ আত্মহনন

**'আমাৰ অসম'ৰ বজালীৰ প্ৰতিবেদক, ৬ অক্টোবৰ ঃ** বজালী জিলাৰ অন্তৰ্গত বামাখাটা ইন্দ্ৰাপাৰত আজি এগৰাকী স্কুলীয়া ছাত্ৰীয়ে আত্মহনন কৰা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ইন্দ্ৰাপাৰ নিৱাসী ব্যৱসায়ী গজেন তালুকদাৰৰ জ্যেষ্ঠ কন্যা তথা বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত অনুষ্কা তালুকদাৰে আজি নিজ গৃহতে চিপ লৈ আত্মহত্যা কৰে। মাক-দেউতাক ব্যৱসায়ী সূত্ৰে দোকানত থকাৰ লগতে একমাত্ৰ ভায়েকজনো স্কুললৈ যোৱাৰ পৰিপ্ৰেক্ষিতত ঘৰত কোনো নথকাৰ সুযোগ লৈ দিনৰ ভাগত ছাত্ৰীগৰাকীয়ে চিপ লৈ আত্মহনন কৰে। ওচৰ-চুবুৰীয়াৰ পৰা জানিব পৰা মতে অকলশৰীয়াকৈ থকা ছোৱালীজনীৰ খবৰ লোৱাৰ বাবে দেউতাকে দিনৰ ভাগত কেইবাবাৰো ফোন কৰে যদিও কোনো উত্তৰ নোপোৱাত ঘৰলৈ অহাত চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে। লগে লগে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে ওচৰ-চুবুৰীয়াও ঘটনাস্থলীত উপস্থিত হয়। কি কাৰণত ছাত্ৰীগৰাকীয়ে জীৱনৰ এই চৰম পন্থা ল'লে সেয়া জানিব পৰা হোৱা নাই। ঘটনাস্থলীত আৰক্ষীৰ লগতে দণ্ডাধীশ উপস্থিত হৈ মৃতদেহটো নমোৱাৰ ব্যৱস্থা কৰাৰ লগতে পাঠশালা থানালৈ লৈ আহে

# গুৱাহাটীত প্ৰায় ৬০০খন পূজা মণ্ডপত ভীষণ ব্যস্ততা

## ■ চিচি টিভি বাধ্যতামূলক, নিশা ১০ বজাৰ পিছত উচ্চস্বৰত মাইক বজোৱাত নিষেধাজ্ঞা



**'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ৬ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱলৈ মাজত মাথোঁ কেইটামান দিব বাকী। এতিয়া চৌদিশে কহুৱাই শুভ্ৰ দলিছা পাৰি শাৰদীয় দুৰ্গোৎসৱৰ বতৰা কঢ়িয়াই আনিছে। সমাগত শাৰদীয় দুৰ্গোৎসৱ সুকলমে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু আৰক্ষীয়ে পূজা সমিতিসমূহৰ বাবে কেইবাটাও নিৰ্দেশনা জাৰি কৰিছে। ২ অক্টোবৰত গুৱাহাটীৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত জিলা আয়ুক্ত স্বপ্নীল পাল আৰু যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে পূজা সমিতিসমূহক সুৰক্ষা, আইন-শৃংখলা, যান-বাহন নিয়ন্ত্ৰণ, ভিৰ আৰু বিসৰ্জন সন্দৰ্ভত বিভিন্ন নিৰ্দেশনা প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়া মতে, বিগত বৰ্ষত মহানগৰীত ৫০৬খন দুৰ্গাপূজা অনুষ্ঠিত হৈছিল যদিও এইবাৰ সংখ্যাটো ৫৫০ৰ পৰা ৬০০খনলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। পূজা মণ্ডপ বা ৰাইজৰ সমাগমস্থলীত চিচি টিভি কেমেৰা স্থাপন বাধ্যতামূলক কৰা হৈছে। মণ্ডপৰ প্ৰৱেশ আৰু প্ৰস্থান পথতো চিচি টিভি থাকিব লাগিব। সকলো পূজা মণ্ডপতে ২৪ ঘণ্টাই সক্ৰিয় থকা চিচি টিভি কেমেৰা। লগতে পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ-প্ৰস্থানৰ পথ পৃথক কৰাৰ নিৰ্দেশ দিয়া হৈছে। জনসাধাৰণ আৰু যান-বাহনৰ চলাচলত বাধাৰ সৃষ্টি হোৱাকৈ ৰাজহুৱা পথত পেণ্ডেল নিৰ্মাণ কৰিব নোৱাৰিব। পূজাস্থলীত অগ্নিনিৰ্বাপণৰ উপযুক্ত ব্যৱস্থা ৰখাটোও বাধ্যতামূলক কৰা হৈছে। বিসৰ্জনৰ পথ সংশ্লিষ্ট থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই পূজা সমিতিৰ সৈতে আলোচনা কৰি নিৰ্ধাৰণ কৰিব। ইপিনে, সন্ধিয়া ৬ বজাৰ পৰা নিশা ১০ বজালৈ ৫৫ ডেচিবল শব্দ প্ৰাবল্যৰ মাইক ব্যৱহাৰ কৰিব পাৰিব। নিশা ১০ বজাৰ পিছত উচ্চস্বৰত মাইক বজোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে জানিবলৈ দিয়ে যে পূজা মণ্ডপৰ আশে-পাশে নিশা তালাচীৰ ব্যৱস্থা কৰা হ'ব। পূজা সমিতিসমূহক আৰক্ষীৰ যোগাযোগ নম্বৰ প্ৰদান কৰাৰ লগতে জৰুৰীকালীন সহায়ৰ বাবে ১১২ নম্বৰত যোগাযোগ কৰিব পাৰিব। নিশাও মণ্ডপত স্বেচ্ছাসেৱক নিয়োজিত কৰি ৰখাৰ নিৰ্দেশ দিয়া হৈছে। চিচি টিভি ব্যৱস্থা নকৰা পূজা সমিতিক পূজা অনুষ্ঠিত কৰাৰ অনুমতি দিয়া নহ'ব বুলিও তেওঁ স্পষ্ট কৰে। উল্লেখ্য, এইবাৰ গুৱাহাটীৰ পূজাৰ আটাইতকৈ চৰ্চিত বিষয়টো হৈছে টিকটৰ ব্যৱস্থা কৰা হৈছে। মহানগৰীৰ বিষ্ণুপুৰ সাৰ্বজনীন দুৰ্গা পূজা কমিটীয়ে তেওঁলোকৰ প্লেটিনাম জুবিলী বৰ্ষ উপলক্ষে এক বিশেষ পদক্ষেপ লৈছে। এইবাৰ তেওঁলোকৰ মণ্ডপটো 'নাগলোক'ৰ আহিত নিৰ্মাণ কৰা হৈছে। ভিআইপি প্ৰৱেশ তথা শাৰী নপতাকৈ বিশেষভাৱে মণ্ডপ দৰ্শন কৰিবলৈ ১৯৯ টকাৰ অনলাইন এণ্ট্ৰি টিকটৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে, সাধাৰণ দৰ্শনাৰ্থীৰ বাবে বিনামূলীয়াকৈ স্বাভাৱিক শাৰীৰ ব্যৱস্থাও বাহাল থাকিব। তদুপৰি পাণ্ডুৰ কামাখ্যা কলনী দুৰ্গা পূজা এইবাৰ তেওঁলোকৰ ৬৪ সংখ্যক বৰ্ষত 'দ্বাদশ জ্যোতিৰ্লিংগ'ৰ আহিত মণ্ডপ সজাই তুলিছে, য'ত ভগৱান শিৱৰ ১২টা পবিত্ৰ জ্যোতিৰ্লিংগ প্ৰদৰ্শিত হ'ব। সেইদৰে ধীৰেনপাৰা ইটাভাটা দুৰ্গা পূজাই তেওঁলোকৰ ২৪ সংখ্যক বৰ্ষত সম্পূৰ্ণ পৰিৱেশ অনুকূল পদ্ধতিৰে পূজা উদ্‌যাপন কৰিব। ইয়াত প্ৰাকৃতিক ৰং আৰু স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী ব্যৱহাৰ কৰি প্ৰতিমা আৰু মণ্ডপ নিৰ্মাণ কৰা হৈছে। সেইদৰে গুৱাহাটীৰ বেলতলা লক্ষ্মীমন্দিৰ, গণেশগুৰি, লতাশিল, গীতানগৰ, আঠগাঁও আদি গুৱাহাটীৰ আগশাৰীৰ পূজা সমিতি সমূহে নানা থিম লৈ এইবাৰ মা দুৰ্গাক আদৰিবলৈ সাজু হৈছে।

## বিজেপি নেতা ধ্ৰুৱজ্যোতি দাসৰ পথ দুৰ্ঘটনাত মৃত্যু



**'আমাৰ অসম'ৰ ভৱানীপুৰৰ প্ৰতিবেদক, ৬ অক্টোবৰ ঃ** ভৱানীপুৰৰ নিকটবৰ্তী উজান বৰবড়ী গাঁৱৰ বাসিন্দা, দক্ষিণ বিজনী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ অৰ্থনীতি বিষয়ৰ বিষয় শিক্ষক তথা বিজেপি নেতা ধ্ৰুৱজ্যোতি দাস (৫৩)ৰ আজি বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱা ঘটনাই বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। ধ্ৰুৱজ্যোতি দাসে এক দুৰ্ঘটনাত পতিত হৈ সংকটজনক অৱস্থাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে আজি দিনৰ ১১-২০ বজাত তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে-ধ্ৰুৱজ্যোতি দাসে ৩ অক্টোবৰত নিশা প্ৰায় ৮ বজাত সাউদৰভিঠাৰ পৰা ভৱানীপুৰ-মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথেৰে নিজৰ উজান বৰবড়ী গাঁৱৰ বাসগৃহলৈ মটৰ চাইকেল চলাই গতি কৰি থকা অৱস্থাতেই লেচেৰা অঞ্চলত পথটোৰ জৰাজীৰ্ণতাৰ বাবে তথা পথৰ ওপৰত সৃষ্টি হোৱা প্ৰকাণ্ড গাঁতত মটৰ চাইকেলসহ তেওঁ লুটিবাগৰ খাই দুৰ্ঘটনাত পতিত হয়। ধ্ৰুৱজ্যোতি দাসে বুকু আৰু মূৰত আঘাতপ্ৰাপ্ত হৈ এক সংকটজনক অৱস্থাত বৰপেটা চিকিৎসালয় মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছিল। আজি দিনৰ ১১ বজাত ধ্ৰুৱজ্যোতি দাসে হাস্পতালতেই শেষ নিশ্বাস ত্যাগ কৰে। ধ্ৰুৱজ্যোতি দাসে হাইস্কুলীয়া জীৱনত এগৰাকী ছাত্ৰ নেতাৰূপে জড়িত থাকি কলেজীয়া জীৱনত কংগ্ৰেছ দলত যোগদান কৰি সক্ৰিয় ৰাজনৈতিক নেতাৰূপে জড়িত হৈছিল।

## যোগীঘোপাত নকল সোণৰ নাওসহ গ্ৰেপ্তাৰ ১

**'আমাৰ অসম'ৰ যোগীঘোপাৰ প্ৰতিবেদক, ৬ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰাত আজি বিয়লি আৰক্ষীয়ে নকল সোণৰ নাওসহ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীটো যোগীঘোপাৰ হেলিপাখৰীৰ ছাহিদুল ইছলাম (২২)। জানিব পৰা মতে, এক গোপন সূত্ৰৰ ভিত্তিত যোগীঘোপা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পুলক বৰ্মনৰ নেতৃত্বত যোগীঘোপা আৰক্ষীৰ এটা দলে বঙাইগাঁও আৰ এফ টিৰ সহযোগত চলন্তাপাৰাত নকল সোণৰ বিৰুদ্ধে অভিযান চলায়। চলন্তাপাৰা দুৰ্গা মন্দিৰৰ সমীপত আৰক্ষীয়ে অভিযান চলাই এজন যুৱকক আটক কৰি তেওঁক তালাচী চলায়। আৰক্ষীৰ তালাচীত যুৱকজনৰ পৰা বৃহৎ আকাৰৰ এটি নকল সোণৰ নাও জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জব্দ কৰা নকল সোণৰ নাৱখনৰ ওজন ১.৫৩৬ কিলোগ্ৰাম।

# জখলাবন্ধাত অচিনাক্ত বাহনৰ খুন্দাত থিতাতে যুৱক নিহত

**'আমাৰ অসম'ৰ কলিয়াবৰৰ প্ৰতিবেদক, ৬ অক্টোবৰ ঃ** কলিয়াবৰ সমজিলাৰ জখলাবন্ধা আৰক্ষী থানাৰ অন্তৰ্গত জখলাবন্ধা চেণ্টাৰত যোৱা নিশা এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। পথ দুৰ্ঘটনাটোত এজন যুৱক থিতাতে নিহত হয়। নিহত যুৱকজন হ'ল কলিয়াবৰৰ দলগাঁও নিবাসী বিশাল কাকতি (২৮)। জখলাবন্ধাৰ এটা বাইক ডিলাৰত কৰ্ম সম্পাদন কৰি নিশা প্ৰায় ১১ বজাত নিজৰ এ এছ ১২ এ ই ১৬৮৬ নম্বৰৰ বাইকেৰে ঘৰলৈ গৈ থকাৰ সময়তে এখন অচিনাকি বাহনে খুন্দা মৰাৰ ফলত এই শোকাৱহ ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোৰ ফলত বাইক আৰোহী যুৱকজন থিতাতে নিহত হয়। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত জখলাবন্ধা আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিৰীক্ষণ কৰাৰ লগতে যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পতাললৈ প্ৰেৰণ কৰে। আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত যুৱকজনৰ মৃতদেহ পৰিয়ালৰ লোকক চমজাই দিয়া হয়। মৃত্যুৰ সময়ত তেওঁ পিতৃ- মাতৃ আৰু জ্যেষ্ঠ ভগ্নীসহ বহু আত্মীয়ক এৰি থৈ গৈছে।

# গুৱাহাটীত শাৰদীয় উৎসৱৰ স্মৃতি, ইতিহাস আৰু সংস্কৃতিৰ সমাহাৰ



**'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ৬ অক্টোবৰ ঃ** আহিন মাহৰ আগমনত শাৰদীয় উৎসৱৰ আৱেশে যেতিয়া চৌপাশ ৰঙীন কৰি তুলিছে, তেনে সময়তে গুৱাহাটীৰ ৰিহাবাৰীত এক বিশেষ আগমনী বৈঠকৰ আয়োজন কৰে সাংস্কৃতিক সংগঠন কলাসমন্বয়-এ। পূজাক কেন্দ্ৰ কৰি বাঙালী সমাজৰ অনুভৱ, স্মৃতি, ইতিহাস আৰু সাংস্কৃতিক ঐতিহ্যক কথামালা আৰু সংগীতৰ মাজেৰে জীৱন্ত কৰি তোলা হয় এই ব্যতিক্ৰমী অনুষ্ঠানত। উৎসৱৰ আগমনী অনুভূতিক কেন্দ্ৰ কৰি আয়োজিত এই সান্ধ্য বৈঠকত দুৰ্গাপূজাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা, স্মৃতিচাৰণ আৰু আগমনী-শাৰদীয় গীতৰ পৰিৱেশনে এক বিশেষ পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৃষ্টি আৰু চিন্তাধাৰাক আধাৰ কৰি পৰিৱেশ গঢ়ি তোলে সংগীতশিল্পী সন্দীপা চক্ৰৱৰ্তীয়ে। সাহিত্যিক সঞ্জয় গুপ্ত আৰু সুবক্তা মদন গোপাল গোস্বামীয়ে দুৰ্গাপূজাৰ ইতিহাস, সৰ্বজনীনঅ আৰু সৰ্বজনীন পূজাৰ ধাৰণাৰ পাৰ্থক্য, অসমত দুৰ্গাপূজাৰ প্ৰচলনৰ কথা আদি বিষয়ত আলোকপাত কৰে। লগতে ৰাজবাড়ীৰ পূজা কেনেদৰে জনসাধাৰণৰ পূজালৈ ৰূপান্তৰিত হ'ল আৰু একক পূজা কেনেকৈ বাৰোৱাৰী ৰূপ লাভ কৰিলে, সেই বিষয়েও বিশদ আলোচনা কৰা হয়। আলোচনাত পূজাৰ সৈতে জড়িত সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ছবিও ফুটাই তোলা হয়। এক সময়ত পূজা সংখ্যা আৰু পূজাৰ গীতে উৎসৱৰ অন্যতম আকৰ্ষণ আছিল যদিও ডিজিটেল যুগত সেই পৰম্পৰাৰ জৌলুস বহু পৰিমাণে ম্লান হৈছে। একেদৰে বজাৰত কিনাকটাৰ ধৰণো সলনি হৈছে। দোকানৰ দৰদামৰ ঠাইত এতিয়া স্থান পাইছে অনলাইন বিক্ৰী আৰু 'বেষ্ট ডিল'ৰ অপেক্ষাই। পূজাৰ ভ্ৰমণ, ভোজন, আড্ডা আৰু প্ৰেমক কেন্দ্ৰ কৰি অতীত আৰু বৰ্তমানৰ অভিজ্ঞতাৰ তুলনামূলক আলোচনা অনুষ্ঠানটোক অধিক আকৰ্ষণীয় কৰি তোলে। সংগীত পৰ্বত অদিতি দাস আৰু পিয়ালী দেয়ে স্তোত্ৰ আৰু আগমনী গীতেৰে উৎসৱৰ আৱহ গঢ়ি তোলে। ইয়াৰ পিছত সুচৰিতা সান্যাল, দেবীপ্ৰিয়া বন্দ্যোপাধ্যায়, পৌলমী দত্ত, দেবলীনা চৌধুৰী আৰু সুশান্ত চৌধুৰীৰ সংগীত পৰিৱেশনে অনুষ্ঠানৰ সৌন্দৰ্য বৃদ্ধি কৰে। অনুৰাধা দাসৰ ৰসাল স্মৃতিচাৰণে উপস্থিত দৰ্শক-শ্ৰোতাসকলক হাঁহিৰে ভৰাই তোলে। এক দুৰ্গামূৰ্তিৰ মূৰ ভাঙি যোৱাৰ পিছত শিৱমূৰ্তিৰ মূৰ সংযোগ কৰি পূজা সফলভাৱে সম্পন্ন কৰাৰ কাহিনীয়ে বিশেষ সঁহাৰি লাভ কৰে। আনহাতে, দেবীপ্ৰিয়া বন্দ্যোপাধ্যায় আৰু কলাসমন্বয়ৰ সভাপতি পাৰ্থসাৰথি বন্দ্যোপাধ্যায়ে হুগলী আৰু কলকাতাৰ বনেদী জমিদাৰবাড়ীৰ ঐতিহ্যবাহী পূজাৰ বিভিন্ন কথা দাঙি ধৰে। অনুষ্ঠানৰ সামৰণি পৰে অনুৰাধা পাত্ৰৰ পৰিচালনাত সমৱেত সংগীতেৰে।



৭২সংখ্যক বণ্যপ্ৰাণী সপ্তাহৰ সামৰণী অনুষ্ঠানত 'মানুহ-বন্যপ্ৰাণী সংঘাত ব্যৱস্থাপনা' শীতানত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে ভাস্কৰজ্যোতি দাসক 'গজ বান্ধৱ' সন্মান প্ৰদান কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত শ্ৰীশ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই দাসক সেই বিশেষ সন্মান প্ৰদান কৰে। উল্লেখ্য, আমছাং বন্যপ্ৰাণী অভয়াৰণ্যৰ সমীপৱৰ্তী অঞ্চলসমূহত হাতী আৰু মানুহৰ সংঘাত হ্ৰাস কৰাৰ ক্ষেত্ৰত দাসে নিৰৱচ্ছিন্নভাৱে স্বেচ্ছামূলক সেৱাৰ স্বীকৃতিস্বৰূপে এই সন্মান আগবঢ়োৱা হৈছে।

## বঙাইগাঁৱত 'নিশ্চিত জয়' উন্মোচন

**'আমাৰ অসম'ৰ বঙাইগাঁৱৰ প্ৰতিনিধি, ৬ অক্টোবৰ ঃ** এম কে প্ৰডাকচনৰ উদ্যোগত আজি বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত 'নিশ্চিত জয়' শীৰ্ষক জাতীয় ভাৱোদ্দীপক গীতটি উন্মোচন কৰে। গীতটি উন্মোচন কৰে বঙাইগাঁও পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দীপু চৌধুৰীয়ে। গীতটিৰ ৰচনা বিমল কুমাৰ বৰ্মনৰ আৰু সংগীত আৰু সুৰেৰে সজাইছে সুভাষ নগৰীয়াই। এম কে প্ৰডাকচনৰ বেনাৰত গীতটি প্ৰযোজনা কৰিছে কৃষ্ণকান্ত কোঁচে।


SUN VALLEY NURSING INSTITUTE
Purbanchal Path, Mathura Nagar, G.S Road, Guwahati-781022
[Recognized by Indian Nursing Council, ANC & Govt of Assam]

ADMISSION OPEN!!
FOR SESSION 2026-2027

GNM
3 Years Diploma Course

For Details contact :
Phone No. 78965-43546, 93958-94109
Email - gnmschoolsunvalley@gmail.com

- Both male and female can apply (CEE passed candidates only).
- Nominal scholarship for Merit students.
- Medical benefits will be provided to parents and students in our own parent hospital

For other details visit our website :
www.sunvalleynursingschool.in

Limited Seats Available!!



Punjab & Sind Bank (A Govt. of India Undertaking) Where service is a way of life

**খচৰা ৰাজহুৱা জাননী**

**জাননী: শূন্য বেলেঞ্চ থকা নিষ্ক্ৰিয় একাউণ্টসমূহ বন্ধ কৰা সন্দৰ্ভত**

এই জাননী সেইসকল একাউণ্টধাৰীৰ বাবে প্ৰযোজ্য যাৰ একাউণ্টসমূহ নিষ্ক্ৰিয় হৈ আছে আৰু জমা ধনৰ পৰিমাণ শূন্য হৈ আছে। একাউণ্ট বন্ধ হোৱা ৰোধ কৰিবলৈ, অনুগ্ৰহ কৰি **০৭/১১/২০২৬** তাৰিখে বা তাৰ পূৰ্বে আপোনাৰ নিকটৱৰ্তী পঞ্জাৱ এণ্ড সিন্ধ বেংকৰ শাখাত শেহতীয়া কেৱাইচি (KYC) নথিপত্ৰ জমা দি আপোনাৰ একাউণ্টটো পুনৰ সক্ৰিয় কৰক। নিৰ্ধাৰিত তাৰিখৰ ভিতৰত সক্ৰিয় নকৰা একাউণ্টসমূহ **০৮/১১/২০২৬** তাৰিখে বা তাৰ পাছত কোনো পৰৱৰ্তী জাননী নিদিয়াকৈ বন্ধ কৰি দিয়া হ'ব পাৰে।

**মহাপ্ৰবন্ধক, সঞ্চালন বিভাগ**



বৈঁক ऑफ़ बड़ौदा Bank of Baroda India's International Bank | 119th FOUNDATION YEAR LEADING WITH TRUST

**বেংক অফ বৰোদা, গুৱাহাটী ক্ষেত্ৰীয় কাৰ্যালয়,** ১ম মহলা, জি.এছ. ৰোড, ভঙাগড়, গুৱাহাটী- ৭৮১০০৫ য়ে চৌহদৰ মালিকসকলৰ / পাৱাৰ অফ এটৰ্নি ধাৰকসকলৰ পৰা **দুটা নিবিদা প্ৰণালী** অৰ্থাৎ (ক) কাৰিকৰী নিবিদা (খ) বিত্তীয় নিবিদা, চৌহদৰ ভূমি মহলাত হ'লে ভাল ভাড়াত অধিগ্ৰহণৰ বাবে প্ৰস্তাৱ আমন্ত্ৰণ জনাইছে।

| শাখা | কাৰ্পেট এলেকা প্ৰায় | স্থান |
|---|---|---|
| পাঠশালা | ১২০০ - ১৫৩০ বৰ্গফুট | পাঠশালা টাউন এৰিয়া |
| টংলা | ১২০০ - ১৫৩০ বৰ্গফুট | টংলা টাউন এৰিয়া |
| নিকাশী | ১০০০ - ১৩৩০ বৰ্গফুট | নিকাশী টাউন এৰিয়া, বাক্সা জিলা |
| লামডিং | ১২০০ - ১৫৩০ বৰ্গফুট | লামডিং টাউন এৰিয়া, হোজাই জিলা |
| বিজনী | ১২০০ - ১৫৩০ বৰ্গফুট | বিজনী টাউন এৰিয়া, চিৰাং জিলা |

ৰাজহুৱা খণ্ডৰ ইউনিটসমূহ / চৰকাৰী বিভাগসমূহৰ চৌহদক অগ্ৰাধিকাৰ দিয়া হ'ব। অধিক বিৱৰণৰ বাবে অনুগ্ৰহ কৰি আমাৰ ৱেবছাইট **www.bankofbaroda.bank.in**-ৰ নিবিদা শাখাত লগইন কৰক। প্ৰস্তাৱ জমা দিয়াৰ শেষ তাৰিখ হৈছে **২২-১০-২০২৬ বিয়লি ৩.০০ বজালৈ।** বেংকে কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ যিকোনো বা সকলো প্ৰস্তাৱ গ্ৰহণ বা নাকচ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

**তাৰিখ ঃ ০৭-১০-২০২৬** **উপ-মহাপ্ৰবন্ধক**



বৈঁক ऑफ़ बड़ौदा Bank of Baroda

**আঞ্চলিক কাৰ্যালয়**
**জি.এছ.ৰোড, ভঙাগড়, গুৱাহাটী, কামৰূপ (ম), অসম- ৭৮১০০৫**

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনখন পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **"যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনখন বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনখন/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

| ক্ৰ. নং | শাখাৰ নাম আৰু ঠিকনা | ঋণী/সকল / জামিনদাৰৰ নাম আৰু ঠিকনা | মুঠ দেয় | বাহনৰ নিৰ্মাণ আৰু মডেল আৰ টি অ, পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট | পৰিদৰ্শনৰ তাৰিখ আৰু সময় | যোগাযোগৰ ব্যক্তি |
|---|---|---|---|---|---|---|---|---|---|
| ১. | **ছয়গাঁও শাখা,** এল এছ টি কমপ্লেক্স, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, ঢেকেনাবাৰী, অনুকুল মন্দিৰৰ ওচৰত, ডাকঘৰ-ছয়গাঁও, জিলা- কামৰূপ (অসম), পিন- ৭৮১১২৪ | **শ্ৰীমতী ৰূপ্তলিন ইংটিপি** ৱাফং ইংটিৰ কন্যা, ৰংমনজিৰ ডিফু, কাৰ্বি আংলং, অসম- ৭৮২৪৬০ | ৫,৮৪,৭২০.৪৬ টকা ০৮.০২.২০২৫ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **টাটা পাঞ্চ পিইউআৰ ১.২পি এম টি আৰ টি বি এছ ৬** **আৰ টি অ'** : কাৰ্বি আংলং, অসম **পঞ্জীয়ণ নংঃ** এ এছ ০৯ কে ৪৬০৮ | ০৭.১১.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ৪,০০,০০০.০০ টকা ২) ৪০,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ০৫.১১.২০২৬ আৰু ০৬.১১.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰী সৌৰভ নুনিছা মোবাইল নং ৮১৩৫৯৪২৮১১ |
| ২. | **ছয়গাঁও শাখা,** এল এছ টি কমপ্লেক্স, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, ঢেকেনাবাৰী, অনুকুল মন্দিৰৰ ওচৰত, ডাকঘৰ-ছয়গাঁও, জিলা- কামৰূপ (অসম), পিন- ৭৮১১২৪ | **অজিত চোলাধৰা** মাৰফৎ- হেমকান্ত চোলাধৰা, নেমুগুৰি, গাওঁ ডিমৌ, শিৱসাগৰ, অসম- ৭৮৫৬৭৪ | ৫,১৫,৯১৭.২৩ টকা ০৮.০৯.২০২৪ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **টাটা টিয়াগো এক্সই ১.২ আৰটিএন বিএছ৬** **আৰ টি অ'** : কামৰূপ **পঞ্জীয়ণ নংঃ** এএছ ০১ এফইউ ৩২৪৯ | ০৭.১১.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ২,৭০,০০০.০০ টকা ২) ২৭,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ০৫.১১.২০২৬ আৰু ০৬.১১.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰী সৌৰভ নুনিছা মোবাইল নং ৮১৩৫৯৪২৮১১ |
| ৩. | **ছয়গাঁও শাখা,** এল এছ টি কমপ্লেক্স, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, ঢেকেনাবাৰী, অনুকুল মন্দিৰৰ ওচৰত, ডাকঘৰ-ছয়গাঁও, জিলা- কামৰূপ (অসম), পিন- ৭৮১১২৪ | **ইন্তাজ আলী** মাৰফৎ- নজৰ আলী, গাঁও- হালিগাঁও, পলাশবাৰী, কামৰূপ, অসম- ৭৮১১২২ | ৬,৪৯,০৯৮.৭০ টকা ১০.০৪.২০২৫ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **টাটা অল্ট্ৰজ এক্সএম এছ ১.২ পি বিএছ৬** **আৰ টি অ'** : কামৰূপ মহানগৰ **পঞ্জীয়ণ নংঃ** এএছ ০১ এফএক্স ১৩২৯ | ০৭.১১.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ৪,৫০,০০০.০০ টকা ২) ৪৫,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ০৫.১১.২০২৬ আৰু ০৬.১১.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰী সৌৰভ নুনিছা মোবাইল নং ৮১৩৫৯৪২৮১১ |
| ৪. | **বামুনীমৈদান শাখা,** ইষ্ট এণ্ড নাৰ্চিং হোমৰ কাষত, এম আৰ ডি ৰোড, বামুনীমৈদান, গুৱাহাটী, অসম- ৭৮১০২১ | **গৌতম বিশ্বাস** মাৰফৎ- বিজয় বিশ্বাস, ২ নং ভবানীপুৰ, নুনমাটি, শিৱমন্দিৰৰ ওচৰত, গুৱাহাটী, কামৰূপ মহানগৰ, অসম- ৭৮১০২০ | ৪,৭২,৪২২.০০ টকা ১০.০৩.২০২৬ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **মাৰুতি চুজুকি ইণ্ডিয়া লিমিটেড অলটো কে১০ ভিএক্সআই** **আৰ টি অ'** : কামৰূপ মহানগৰ **পঞ্জীয়ণনংঃ** এএছ০১জিই২০৯৩ | ০৭.১১.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ৩,৫০,০০০.০০ টকা ২) ৩৫,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ০৫.১১.২০২৬ আৰু ০৬.১১.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰী লুংকিম হেমিনলুন খংছাই মোবাইল নং ৯০৮৯০৯১৮২২ |
| ৫. | **নলবাৰী শাখা,** বৰমা ৰোড, এল আই চি কাৰ্যালয়ৰ বিপৰীতে, ডাকঘৰ-নলবাৰী, নলবাৰী টাউন, অসম- ৭৮১৩৩৫ | **ৰিদীপ মহন্ত** মাৰফৎ- প্ৰবীণ মহন্ত, সোণকানি, নলবাৰী, অসম- ৭৮১৩৫১ | ৩,৮৬,৩০৯.৭৫ টকা ১০.১২.২০২৫ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **গ্ৰ'মেক্স এগ্ৰি ইকুইপমেণ্ট লিমিটেড ট্ৰেকষ্টাৰ ৫৫০** **আৰ টি অ'** : নলবাৰী **পঞ্জীয়ণ নংঃ** এএছ ১৪এচি ১৭৫৩ | ০৭.১১.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ১,৫০,০০০.০০ টকা ২) ১৫,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ০৫.১১.২০২৬ আৰু ০৬.১১.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰী মানশ প্ৰতিম বৈশ্য মোবাইল নং ৯৭৩৩০০৫৩৩০ |
| ৬. | **বশিষ্ঠ শাখা,** ১মমহলা, বেলতলা ছাৰ্ভে, বশিষ্ঠ ৰোড, গুৱাহাটী, কামৰূপ মহানগৰ, অসম- ৭৮১০২৮ | **ধ্ৰুৱ জ্যোতি দাস** ঘৰ নং ৩০, ভিআইপি ৰোড, মেগেজিন, উদয়ন বিহাৰ, ৰয়েল পেলেচ গুৱাহাটীৰ ওচৰত, কামৰূপ মহানগৰ, অসম- ৭৮১১৭১ | ৫,০৩,৭৪০.৭৮ টকা ২০.১২.২০২৫ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **মাৰুতি চুজুকি ইণ্ডিয়া লিমিটেড টোৰ এছ** **আৰ টি অ'** : কামৰূপ মহানগৰ **পঞ্জীয়ণ নংঃ** এএছ ০১ আৰচি ৫৪৬২ | ০৭.১১.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ৩,৭৫,০০০.০০ টকা ২) ৩৭,৫০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ০৫.১১.২০২৬ আৰু ০৬.১১.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰীমতী দিব্যা ভাৰতী, মোবাইল নং ৭০০৪৮৫৩৬৩৩ |
| ৭. | **বশিষ্ঠ শাখা,** ১মমহলা, বেলতলা চাৰ্ভে, বশিষ্ঠ ৰোড, গুৱাহাটী, কামৰূপ মহানগৰ, অসম- ৭৮১০২৮ | **ৰিনা দেৱী আগৰৱাল** ঘৰনং ৪৯, নাৰেঙ্গী, হৰিহৰপুৰ, পাথৰকুৰেৰী, গুৱাহাটী- ৭৮১০২৬ | ১০,৬৯,১৭৯.৮১ টকা ০৮.০১.২০২৬ **তাৰিখলৈ** আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **মাৰুতি ছুজুকি ইণ্ডিয়া লিমিটেড আৰ্টিগা স্মাৰ্ট হাইব্ৰিড ভিএক্সআই (অ')** **আৰ টি অ'** : কামৰূপ মহানগৰ **পঞ্জীয়ণনংঃ** এএছ০১এছচি ৪৪৫০ | ২৮.১০.২০২৬ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ৭,০০,০০০.০০ টকা ২) ৭০,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | **Baanknet** ৱেবছাইট অনুসৰি | ২৬.১০.২০২৬ আৰু ২৭.১০.২০২৬ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰীমতী দিব্যা ভাৰতী, মোবাইল নং ৭০০৪৮৫৩৬৩৩ |

**ওপৰত উল্লেখিত ক্ৰমিক নং-ৰ বাবে Baanknet সম্পত্তি আইডি তলত দিয়া ধৰণেঃ-**
ক্ৰ. নং ১-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBOCHAYGA003**, ক্ৰ. নং ২-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBOCHAYGA002**, ক্ৰ. নং ৩-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBOCHAYGA001**, ক্ৰ. নং ৪-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBOBAMUNI003**, ক্ৰ. নং ৫-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBONALBAR003**, ক্ৰ. নং ৬-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBODBBELT005**, ক্ৰ. নং ৭-ৰ বাবে Baanknet সম্পত্তি আইডি **BARBODBBELT004**

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে ওপৰত উল্লেখ কৰা ধৰণে **যোগাযোগৰ ব্যক্তিক** যোগাযোগ কৰিব পাৰে।

**তাৰিখ ঃ ০৭-১০-২০২৬, স্থান ঃ গুৱাহাটী** **কৰ্তৃত্বশীল বিষয়া, বেংক অফ বৰোদা**